BIKALI COLLEGE LIBRARY

Total No. of Printed Pages—4

**22E—ADAS**

# 2022

## ADVANCE ASSAMESE

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ALLOTMENT OF MARKS

| | |
|---|---|
| Q. No. **1** carries *1* mark | 1×4 = 4 |
| Q. Nos. **2 & 3** carry *5* marks | 5×2 = 10 |
| Q. No. **4** carries *6* marks | = 6 |
| Q. No. **5** carries *1* mark | 1×4 = 4 |
| Q. No. **6** carries *5* marks | = 5 |
| Q. No. **7** carries *2* marks | 2×3 = 6 |
| Q. No. **8** carries *6* marks | = 6 |
| Q. No. **9** carries *14* marks | = 14 |
| Q. Nos. **10 & 11** carry *5* marks | 5×2 = 10 |
| Q. No. **12** carries *6* marks | = 6 |
| Q. No. **13** carries *4* marks | = 4 |
| Q. No. **14** carries *10* marks | = 10 |
| Q. Nos. **15 & 16** carry *6* marks | 6×2 = 12 |
| Q. No. **17** carries *1* mark | 1×3 = 3 |
| | Total = 100 |

BIKALI COLLEGE LIBRARY



১। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ (যি কোনো চাৰিটা) : ১×৪=৪

(ক) 'হৰগৌৰী-সংবাদ'ৰ ৰচয়িতা কোন?

(খ) ৰাম সৰস্বতীয়ে 'মহাভাৰত'ৰ কোন পৰ্বৰ ঘটনাৰ আধাৰত 'বধকাব্য'সমূহ ৰচনা কৰিছিল?

(গ) 'কাঁচলি' শব্দৰ অৰ্থ লিখাঁ।

(ঘ) 'পানেশৈ' কোন শ্ৰেণীৰ কবিতা?

(ঙ) প্ৰসন্নলাল চৌধুৰীৰ কবিতাৰ প্ৰধান সুৰ কি?

(চ) জাপানৰ সৈনিক পুৰুষক কি নামেৰে জনা যায়?

২। (ক) 'প্ৰহ্লাদ চৰিত্ৰ' কবিতাংশত শিশু প্ৰহ্লাদৰ হৰিভক্তি কেনেদৰে প্ৰকাশ পাইছে, লিখাঁ। ৫

*অথবা*

(খ) শিৱৰ লৌকিক ৰূপটো কিদৰে ফুটি ওলাইছে, পাঠ্য কবিতাংশৰ আধাৰত চমুকৈ আলোচনা কৰাঁ।

৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ (যি কোনো এছোৰা) : ২+৩=৫

(ক) ''নপৰে নিশাহ কপালত চোৰা
মৃত্যুৰ কলীয়া ৰেখ,
নিষ্ঠুৰ মানুহ শেষ হ'ল আজি
জীৱন দিনৰ লেখ।''

(খ) ''দান কৰি ৰাখিছোঁ জীৱন দেশ আৰু জাতিৰ নামত
ৰজাৰ পোৱালি মই বাস কৰোঁ কপিলীপাৰত।''

৪। তলৰ যি কোনো এটা কবিতাৰ মূল ভাব লিখাঁ : ৬

(ক) 'শিৱৰ কৃষিকৰ্ম'

(খ) 'প্ৰিয়তমাৰ চিঠি'

৫। চমু উত্তৰ লিখাঁ (যি কোনো চাৰিটা) : ১×৪=৪

(ক) কোনখন পুৰাণৰ আলমত শংকৰদেৱে 'হৰিশ্চন্দ্ৰোপাখ্যান' ৰচনা কৰিছিল?

(খ) মুচলিনীৰ সম্পূৰ্ণ নাম কি?

(গ) তপস্যাতকৈয়ো অৰ্জুনৰ কি গুণ দেখি মহাদেৱ সন্তুষ্ট হৈছিল?

(ঘ) 'সুৰাসুৰ বন্দিত প্ৰপন্নজনতাৰণ' বুলি কাক কোৱা হৈছে?

(ঙ) ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি কেইপ্ৰকাৰে প্ৰকাশ পায়?

BIKALI COLLEGE LIBRARY



৬। (ক) ‘‘আৰু একদিন অধ্যাপকে সবে ছাত্ৰক বোলে, মোক একোটা শ্লোক কৰি দেহঁক।’’ শংকৰদেৱে গুৰুগৃহত কেনেদৰে শ্লোক ৰচনা কৰিছিল, তোমাৰ ভাষাৰে লিখাঁ। ৫

*অথবা*

(খ) ‘পাঁচ প্ৰকাৰ ভক্তিৰস’ কি কি? চমুকৈ আলোচনা কৰাঁ।

৭। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৩=৬

(ক) কুসুমদেউ কোন? তেওঁৰ সম্পূৰ্ণ নাম কি?

(খ) ইউৰোপীয় আৰু ভাৰতীয় ছাত্ৰৰ মাজত তুলনা কৰি কৃষ্ণকান্ত সন্দিকৈয়ে কি পাৰ্থক্য দেখিছিল?

(গ) ন বিধ ৰসৰ নাম লিখাঁ।

(ঘ) সত্যেন্দ্ৰনাথ শৰ্মাই সম্পাদনা কৰা দুখন পুৰণি পুথিৰ নাম লিখাঁ।

৮। টিকেন্দ্ৰজিৎ চৰিত্ৰটিৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱাঁ। ৬

৯। (ক) তলত দিয়া যি কোনো দুটা চৰিত্ৰৰ বিষয়ে চমুকৈ লিখাঁ : ৩×২=৬

মধুমঞ্জৰী ; ঠঙাল ; গ্ৰিমউদ ; ৰঘুনন্দন সিং।

(খ) ‘টিকেন্দ্ৰজিৎ’ নাটকৰ গীতসমূহে কাহিনীৰ অগ্ৰগতিত কেনে ভূমিকা পালন কৰিছে, চমুকৈ আলোচনা কৰাঁ। ৫

(গ) ‘মণিপুৰ বুৰঞ্জীৰ এখিলা ৰাঙলী পাত’ কি? ১

(ঘ) ‘‘তুমি জখলাত উঠাগৈ বুঢ়া আপ! চিপজৰী ল’ব লাগে।’’ কোন অংকৰ, কোন দৰ্শনত, কোনে, কাক এইদৰে কৈছিল? ২

১০। (ক) ‘যীশুখ্ৰীষ্টৰ ছবি’ গল্পটোত গোৰা চিপাহীজনৰ পিতৃ হৃদয়ৰ স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰাঁ। ৫

*অথবা*

(খ) ‘‘কিন্তু সেই ইমান দিনে মই যে মই পাকঘৰত থাকি থাকি বুঢ়ী হৈ গ’লোঁ, মোৰ কথাষাৰ এবাৰ নাভাবা কে’লেই।’’ কোনে, কাক, কি প্ৰসংগত এইদৰে ক’বলগীয়া হৈছিল, লিখাঁ। ১+১+৩=৫

BIKALI COLLEGE LIBRARY



১১। (ক) নিৰুপমা বৰগোহাঞিৰ দুখন চুটিগল্প সংকলনৰ নাম লিখাঁ। ২

(খ) চৈয়দ আব্দুল মালিকৰ প্ৰথম প্ৰকাশিত চুটিগল্প সংকলনটিৰ নাম লিখাঁ। ১

(গ) "গোৰাটোৱে খুপীহঁতক দি গৈছে।" ছবিখন চাই গল্পকাৰে কি দেখিলে? ২

১২। (ক) বস্তুনিষ্ঠ কবিতাৰ বিষয়ে এটি পৰিচয়মূলক টোকা যুগুত কৰাঁ। ৬

*অথবা*

(খ) নাটকৰ উপাদান হিচাপে চৰিত্ৰ আৰু সংলাপৰ বিষয়ে চমুকৈ লিখাঁ। ৩+৩=৬

১৩। চমু টোকা লিখাঁ (যি কোনো এটা) : ৪

ছনেট ; ঐতিহাসিক নাটক ; নাটকৰ পঞ্চসন্ধি।

১৪। (ক) ছন্দৰ সংজ্ঞা দি যতি, পৰ্ব, চৰণৰ বিষয়ে অতি চমুকৈ লিখাঁ। ২+৩=৫

(খ) সংজ্ঞাসহ উদাহৰণ দিয়াঁ (যি কোনো দুটা) : ২×২=৪

পয়াৰ ; ঝুমুৰী ; কুসুমমালা ; ছবি।

(গ) তলৰ কাব্যপংক্তিটোত কি ছন্দ ব্যৱহৃত হৈছে? ১

"ভৈলাহা পৰশুৰাম নামে অৱতাৰ।
প্ৰদক্ষিণ কৰি ভূমি তিনি সাতবাৰ॥"

১৫। নলিনীবালা দেৱী **অথবা** ৰঘুনাথ চৌধাৰীৰ কাব্যকৃতিৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৬। জোনাকী যুগৰ ঐতিহাসিক **অথবা** পৌৰাণিক নাটক—এই বিষয়ে চমুকৈ আলোচনা কৰাঁ। ৬

১৭। চমু উত্তৰ লিখাঁ : ১×৩=৩

(ক) যতীন্দ্ৰনাথ দুৱৰাৰ এখন কবিতা-পুথিৰ নাম লিখাঁ।

(খ) অতুলচন্দ্ৰ হাজৰিকাৰ এখন নাটকৰ নাম লিখাঁ।

(গ) 'জয়মতী কুঁৱৰী' নাটকৰ নাট্যকাৰ কোন?

★★★